NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 03-08-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

## HEADLINES

১। টাটা ইলেক্ট্ৰনিক্সে আজি অসমৰ মৰিগাঁও জিলাৰ জাগীৰোডত চিপ সংযোজন আৰু পৰীক্ষণ গোটৰ ভূমি পূজন সম্পন্ন কৰে।

২। চৰকাৰে ৰাজহুৱা খণ্ডৰ বীমা কোম্পানীসমূহক কেৰালাৰ ভূমিস্খলন প্ৰভাৱিত লোকসকললৈ যথাসম্ভৱ সহায় আগবঢ়াবলৈ কৈছে।

৩। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে অহা ৯ আগষ্টৰ পৰা ১৫ আগষ্টলৈ **হৰ ঘৰ তিৰংগা** অভিযানৰ অংশ হিচাপে দেশৰ জনসাধাৰণক নিজৰ বাসগৃহত ত্ৰিৰংগ পতাকা উত্তোলন কৰিবলৈ আহ্বান জনাইছে।

৪। সমগ্ৰ দেশতে আজি চতুৰ্দশ ভাৰতীয় অংগদান দিৱস পালন কৰা হৈছে।

*আৰু*

৫। ভাৰতৰ নিশান্ত দেৱ আজি নিশা পুৰুষৰ বক্সিঙৰ ৭১ কিলোগ্ৰাম ওজন শাখাত মেক্সিকোৰ প্ৰতিদ্বন্দ্বিৰ বিৰুদ্ধে কোৱাৰ্টাৰ ফাইনেলত অৱতীৰ্ণ হ'ব।

00000000

টাটা ইলেক্ট্ৰনিক্সে আজি অসমৰ মৰিগাঁও জিলাৰ জাগীৰোডত চিপ সংযোজন আৰু পৰীক্ষণ গোটৰ ভূমি পূজন সম্পন্ন কৰে। অনুষ্ঠানত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু টাটা চছনছৰ অধ্যক্ষ এন চন্দ্ৰশেখৰন উপস্থিত থাকে।

এই উপলক্ষে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয় যে, অসমে এই অৰ্ধ পৰিবাহী প্ৰকল্পত অত্যাধুনিক বৈদ্যুতিন যন্ত্ৰাংশ উৎপাদন কৰিবলৈ সমৰ্থ হ'ব। ৰাজ্যৰ বাবে আজিৰ দিনটোক ঐতিহাসিক বুলি অভিহিত মুখ্যমন্ত্ৰীগৰাকীয়ে কৰি কয় যে, অঞ্চলটোৰ ঔদ্যোগীকৰণ আৰু প্ৰযুক্তিগত দিশৰ পৰা এয়া এক উল্লেখযোগ্য সাফল্য। এই গোটটোৱে দেশৰ অৰ্ধ পৰিবাহী খণ্ডত সোণালী যুগৰ সূচনা কৰিব বুলি তেওঁ উল্লেখ কৰে।

টাটা চছনৰ অধ্যক্ষ এন চন্দ্ৰশেখৰনে কয় যে এই গোটটোত দৈনিক বৈদ্যুতিন বাহন, ম'বাইল ফোন আৰু বিভিন্ন চিকিৎসা সঁজুলিৰ চাৰি কোটি ৮০ লাখ চিপ উৎপাদন কৰিব পৰা যাব।

00000000

চৰকাৰে ৰাজহুৱা খণ্ডৰ বীমা কোম্পানীসমূহক কেৰালাৰ ভূমিস্খলন প্ৰভাৱিত লোকসকললৈ যথাসম্ভৱ সহায় আগবঢ়াবলৈ কৈছে যাতে বীমা দাবীসমূহ শীঘ্ৰে নিষ্পত্তি কৰিব পৰা যায় আৰু ধনাদায় দিব পৰা যায়। কেন্দ্ৰীয় বিত্ত মন্ত্ৰালয়ে কৈছে যে, ভাৰতীয় জীৱন বীমা নিগমক প্ৰধানমন্ত্ৰী জীৱন জ্যোতি বীমা যোজনাৰ পলিচিধাৰকসকলক শীঘ্ৰে ধনাদায় দিবলৈ নিৰ্দেশ দিছে। মন্ত্ৰালয়ে কৈছে যে, এই ক্ষেত্ৰত ক্ষীপ্ৰতাৰে কাৰ্য সম্পাদন কৰাৰ বাবে আৱশ্যকীয়

নথি-পত্ৰৰ প্ৰক্ৰিয়াৰ শিথিল কৰা হৈছে। বীমা কোম্পানীসমূহে ক্ষতিগ্ৰস্ত ৱায়নাড, পলক্কড়, কোঝিকোড আৰু ত্ৰিশূৰত বিভিন্ন মাধ্যমেৰে নিজৰ নিজৰ বীমা ধাৰকসকলৰ তথ্য সংগ্ৰহ কৰিবলৈ আৰম্ভ কৰিছে। এই অঞ্চলসমূহৰ পৰা ধনাদায়ৰ সৰ্বাধিক দাবী পোৱা গৈছে।

০০০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে অহা ৯ আগষ্টৰ পৰা ১৫ আগষ্টলৈ **হৰ ঘৰ তিৰংগা** অভিযানৰ অংশ হিচাপে দেশৰ জনসাধাৰণক নিজৰ বাসগৃহত ত্ৰিৰংগ পতাকা উত্তোলন কৰিবলৈ আহ্বান জনাইছে। প্ৰতিগৰাকী ভাৰতীয়ৰ বাবে গৰ্ব আৰু স্বাভিমানৰ প্ৰতীক ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰি একোখন ছেল্ফি **হৰ ঘৰ তিৰংগা** ৱেবছাইটত আপলোড কৰিবলৈও মন্ত্ৰীগৰাকীয়ে আহ্বান জনায়। তেওঁ কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত এই অভিযানে বিগত দুবছৰ ধৰি ৰাষ্ট্ৰীয় আন্দোলন হিচাপে গঢ় লৈ উঠিছে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালেও ভাৰতীয়ৰ গৰ্ব আৰু পৰিচয়ৰ প্ৰতীক ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰি দেশপ্ৰেমক মৰ্যাদা দিবলৈ আহ্বান জনাইছে।

০০০০০০০০

সমগ্ৰ দেশতে আজি চতুৰ্দশ ভাৰতীয় অংগদান দিৱস পালন কৰা হৈছে। এই উপলক্ষে স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ৰ অধীনৰ ৰাষ্ট্ৰীয় অংগ আৰু কলা সংৰোপণ সংস্থাই নতুন দিল্লীত অংগদান সজাগতা কাৰ্যসূচীৰ আয়োজন কৰে। অনুষ্ঠানত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ ৰাজ্য মন্ত্ৰী অনুপ্ৰিয়া পেটেলে মস্তিষ্ক মৃত্যু ঘোষণা হোৱাৰ পাছত পৰিয়ালৰ সদস্যক অংগদান কৰা লোকসকলক সম্বৰ্ধনা জনায়। তেওঁ লগতে অংগ লাভ কৰা আৰু সফল অংগ সংৰোপণৰ বাবে এখন বিভিন্ন প্ৰান্তৰ একাংশ চিকিৎসককো সম্বৰ্ধনা জ্ঞাপন কৰে। তেওঁ কয় যে, বিগত ১০ বছৰত অংগ দানৰ হাৰ চাৰি গুণ বৃদ্ধি পাই ১৮ হাজাৰ ৩৭৮ হৈছে। শ্ৰীমতী পেটেলে চিকিৎসকসকলৰ প্ৰয়াস অংগদান কৰা লোকসকলৰ পৰিয়ালক ভূয়সী প্ৰশংসা কৰে।

অনুষ্ঠানত অংশগ্ৰহণ কৰি নীতি আয়োগৰ সদস্য ডাঃ ভি কে পালে অংগদানৰ বিষয়ে সজাগতাৰ সৃষ্টিৰ আৱশ্যকতাত গুৰুত্ব আৰোপ কৰে। তেওঁ সমগ্ৰ দেশৰ মাল্টি স্পেচিয়েলিটি চিকিৎসালয়সমূহক অংগ সংৰোপণৰ সুবিধা উপলব্ধ কৰাবলৈ আহ্বান জনায়। স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ৰ সচিব অপূৰ্ব চন্দ্ৰ আৰু বিভিন্ন ৰাজ্য তথা চিকিৎসা প্ৰতিষ্ঠানৰ কেইবাগৰাকীও জ্যেষ্ঠ চিকিৎসক অনুষ্ঠানত উপস্থিত থাকে।

০০০০০০০০

কেন্দ্ৰীয় পৰ্যটন আৰু সাংস্কৃতিক মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱটে কৈছে যে, ভাৰতবৰ্ষক বিশ্বৰ তৃতীয় সৰ্ববৃহৎ অৰ্থব্যৱস্থাৰ দেশৰূপে গঢ়ি তোলাৰ ক্ষেত্ৰত পৰ্যটন ক্ষেত্ৰ চালিকা শক্তি হোৱাৰ সম্ভাৱনা আছে। গ্ৰেটাৰ নয়দাত আজি সপ্তম আন্তঃৰাষ্ট্ৰীয় আতিথ্য প্ৰদৰ্শন উদ্বোধন কৰি দিয়া ভাষণত মন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে, চৰকাৰ পৰ্যটন আৰু আতিথ্য ক্ষেত্ৰত শ্ৰেষ্ঠত্ব অৰ্জনৰ বাবে বদ্ধপৰিকৰ। তেওঁ কয় যে আন্তঃৰাষ্ট্ৰীয় আতিথ্য প্ৰদৰ্শনীয়ে বিগত ছবছৰত ভাৰতৰ আতিথ্য উদ্যোগক আগুৱাই লৈ যোৱাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। ভাৰতৰ পৰ্যটন খণ্ডৰ অপাৰ সম্ভাৱনা আছে বুলি তেওঁ উল্লেখ কৰে। শ্ৰী শেখাৱটে কয় যে দেশত কৃষি আৰু পৰ্যটন এনে দুটা খণ্ড যিয়ে জনসাধাৰণৰ ইচ্ছা অনুসৰি সকলোখিনি যোগান ধৰিব পাৰে। তেওঁ কয় যে, পৰ্যটন খণ্ডই ২০৪৭ চনৰ ভিতৰত ভাৰতবৰ্ষক উন্নত ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে।

০০০০০০০০

ৰাষ্ট্ৰীয় মানৱাধিকাৰ আয়োগে দিল্লী চৰকাৰৰ দ্বাৰা পৰিচালিত আশা কিৰণ নামৰ আশ্ৰয় গৃহত এটা মাহৰ ভিতৰত ১২ জনকৈ লোকে প্ৰাণ হেৰুওৱা বুলি ওলোৱা বাতৰি সন্দৰ্ভত দিল্লীৰ মুখ্য সচিব আৰু আৰক্ষী আয়ুক্তলৈ জাননী জাৰি কৰিছে। সংবাদ মাধ্যমত প্ৰকাশিত বাতৰি সন্দৰ্ভত নিজাববীয়াকৈ ব্যৱস্থা গ্ৰহণ কৰি আয়োগে চাৰি সপ্তাহৰ ভিতৰত বিস্তৃত প্ৰতিবেদন বিচাৰিছে। একাংশ সংবাদ মাধ্যমত মাত্ৰাধিক লোকে আশ্ৰয় লৈ থকা আশ্ৰয় গৃহসমূহত মানৱ অধিকাৰৰ উলংঘন হোৱাৰ গুৰুতৰ বাতৰি প্ৰকাশ পোৱা আয়োগৰ দৃষ্টিগোচৰ হৈছে। আয়োগে কৈছে যে, কম দিনৰ ভিতৰতে ভালেসংখ্যক লোকৰ মৃত্যুৰ পৰা কৰ্তৃপক্ষসমূহৰ অৱহেলাৰ কথা স্পষ্ট হৈ পৰিছে। ৰাষ্ট্ৰীয় মানৱাধিকাৰ আয়োগে কৈছে যে, সংবাদ মাধ্যমৰ বাতৰি অনুসৰি আশা কিৰণত সৰ্বাধিক ৫০০ জন লোক থকাৰ সুবিধা আছে যদিও সম্প্ৰতি আশ্ৰয় গৃহটোত এহেজাৰৰো অধিক লোক বাস কৰি আছে।

০০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে ৫ আগষ্টৰ পৰা ১০ আগষ্টলৈ ফিজি, নিউজিলেণ্ড আৰু টিম'ৰলেষ্ট ভ্ৰমণ কৰিব। এয়া হ'ব ভাৰতৰ ৰাষ্ট্ৰপতিৰ প্ৰথম ফিজি তথা টিম'ৰলেষ্ট ভ্ৰমণ। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এক্ট ইষ্ট নীতি ঘোষণা কৰাৰ পাছৰে পৰা ভাৰতে দক্ষিণ-পূব এছিয়া আৰু প্ৰশান্ত মহাসাগৰীয় অঞ্চলত বিশেষ গুৰুত্ব আৰোপ কৰি আহিছে। ৰাষ্ট্ৰপতিগৰাকীয়ে এই ত্ৰিদেশীয় ভ্ৰমণৰ প্ৰথম পৰ্যায়ত ফিজিত উপস্থিত হৈ ৰাষ্ট্ৰপতি কেট'নিৱেৰে আৰু প্ৰধানমন্ত্ৰী ছিটিৱেণী ৰেবুকাৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব। ৰাষ্ট্ৰপতিয়ে ফিজিৰ সংসদত ভাষণ দিয়াৰ লগতে প্ৰৱাসী ভাৰতীয়সকলৰ সৈতে মত বিনিময় কৰিব। ভ্ৰমণৰ দ্বিতীয় পৰ্যায়ত ৰাষ্ট্ৰপতিয়ে ৮ আগষ্টত নিউজিলেণ্ডত উপস্থিত হ'ব। এই ভ্ৰমণকালত শ্ৰীমতী মুৰ্মুৰে গৱৰ্ণৰ জেনেৰেল ছিন্দি কিৰো আৰু প্ৰধানমন্ত্ৰী ক্ৰিষ্টোফাৰ লাক্সনৰ সৈতে বৈঠকত মিলিত হ'ব। তেওঁ ৱেলিংটনত হ'বলগীয়া আন্তঃৰাষ্ট্ৰীয় শিক্ষা সন্মিলনত ভাষণ দিব আৰু অকলেণ্ডত প্ৰৱাসী ভাৰতীয়সকলক সাক্ষাৎ কৰিব।

শ্ৰীমতী মুৰ্মু এই ত্ৰিদেশীয় ভ্ৰমণৰ অন্তিম পৰ্যায়ত ১০ আগষ্টত টিম'ৰলেষ্টত উপস্থিত হ'ব আৰু দেশখনৰ ৰাষ্ট্ৰপতি জোচে ৰামোচ হোৰ্টাৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব। টিমৰৰ প্ৰধানমন্ত্ৰী কে ৰালা জেনানা গুছম'য়ো ভাৰতৰ ৰাষ্ট্ৰপতি গৰাকীক সাক্ষাৎ কৰিব।

০০০০০০০০

গুজৰাট চৰকাৰে ৰাজ্যৰ পৌৰসভাসমূহক জৰুৰীকালীন অগ্নিনিৰ্বাপক বাহন আৰু সজুলি ক্ৰয় কৰিবলৈ ৬৩ কোটি টকাৰ অনুদান প্ৰদান কৰিছে।

ৰাজ্যত অগ্নিকাণ্ডৰ সুৰক্ষা নিশ্চিত কৰাৰ বাবে মুখ্যমন্ত্ৰীৰ আগত জনপ্ৰতিনিধি আৰু স্থানীয় নেতাসকলে জনোৱা অনুৰোধৰ পিছতে এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। স্বৰ্নীম জয়ন্তী মুখ্যমন্ত্ৰীৰ নগৰ উন্নয়ন আঁচনিৰ অধীনত এই ধনৰাশি আৱণ্টন কৰা হৈছে। এই আঁচনিৰ জৰিয়তে স্থানীয় নগৰ কৰ্তৃপক্ষসমূক যিকোনো জৰুৰীকালীন অৱস্থাৰ সন্মুখিন হ'বলৈ শেহতীয়া অগ্নি সুৰক্ষা সঁজুলিৰে সুসজ্জিত কৰা হ'ব।

গুজৰাট নগৰ উন্নয়ন নিগমে ৫৪ খন পৌৰসভালৈ প্ৰায় ৭১ খন অগ্নিনিৰ্বাপক বাহন আৰু সঁজুলি ক্ৰয় কৰিবলৈ আবণ্টন দিব।

০০০০০০০০

ভাৰতৰ দিপিকা কুমাৰী আজি পেৰিছ্ অলিম্পিকৰ মহিলাৰ আৰ্চ্চাৰীৰ ব্যক্তিগত শাখাৰ কোৱাৰ্টাৰ ফাইনেলত দক্ষিণ কোৰিয়াৰ প্ৰতিদ্বন্দ্বীৰ হাতত ৪-৬ৰ ফলাফলত পৰাজিত হয়। দেশৰ আন এগৰাকী আৰ্চাৰ ভজন কৌৰ ইণ্ডোনেছিয়াৰ ডায়নান্দা চোইৰুনিচাৰ হাতত পৰাজিত হৈ প্ৰী-কোৱাৰ্টাৰ ফাইনেলৰ পৰা বাহিৰ হৈছে। ইয়াৰ লগে লগে আৰ্চাৰীত ভাৰতৰ প্ৰত্যাহ্বানৰো সামৰণি পৰিছে। ইযাৰ পূৰ্বে শ্যুটিঙত ইতিমধ্যে দুটাকৈ পদক বিজয়ী মনু ভাকৰ তৃতীয়টো পদকৰ বাবে মহিলাৰ ২৫ মিটাৰ পিষ্টল শিতানৰ ফাইনেলত অৱতীৰ্ণ হয় যদিও খেলুৱৈগৰাকী পদক লাভত ব্যৰ্থ হয়। ভাকৰে এই শিতানত চতুৰ্থ স্থান লাভ কৰিবলৈহে সমৰ্থ হয়।

আনহাতে, আজি নিশা বক্সাৰ নিশান্ত দেৱ পুৰুষৰ ৭১ কিলোগ্ৰাম ওজন শাখাত মেক্সিকোৰ প্ৰতিদ্বন্দিৰ বিৰুদ্ধে কোৱাৰ্টাৰ ফাইনেলত অৱতীৰ্ণ হ'ব।

০০০০০০০০

সমাপ্ত